জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৭/২০২২

# গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ বাতৰি বিভাগৰ প্ৰাক্তন উপ-সঞ্চালক, জ্যেষ্ঠ সাংবাদিক প্ৰতাপ বৰদলৈৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১৯ ফেব্ৰুৱাৰী ঃ** গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ বাতৰি বিভাগৰ প্ৰাক্তন উপ-সঞ্চালক, জ্যেষ্ঠ সাংবাদিক, ৰাজ্যখনৰ টেলিভিছন সাংবাদিকতাৰ অন্যতম বাটকটীয়া প্ৰতাপ বৰদলৈৰ বিয়োগত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গভীৰ শোক প্ৰকাশ কৰিছে।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অনন্য আৰু শক্তিশালী কণ্ঠৰে আকাশবাণী আৰু দূৰদৰ্শনৰ শ্ৰোতা-দৰ্শকৰ মাজত এক সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হোৱা বৰদলৈৰ বিয়োগ ৰাজ্যখনৰ সংবাদ জগতৰ বাবে অপূৰণীয় ক্ষতি। ৰাজ্যৰ সংবাদ জগতলৈ তেখেতে আগবঢ়াই যোৱা অৱদানৰাজি জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত প্ৰতাপ বৰদলৈৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে তেওঁৰ শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**নিঃকুঃদাঃ**
**১৯-২-২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in